# শিৱ থাপাৰ সাফল্য আৰু অসমৰ বক্সিং

এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ সবাতোকৈ সফল বক্সাৰৰূপে পৰিগণিত হোৱাৰ মুহূৰ্তত শিৱ থাপাৰ এটাই প্ৰতিক্ৰিয়া আছিল—কৰ'নাক জয় কৰা যেন লাগিছে। দেশত নভেল কৰ'না ভাইৰাছৰ দ্বিতীয় লহৰ অব্যাহত থকাৰ সময়ত শিৱ থাপাৰ এই সফলতাই নিশ্চয়কৈ ক্ৰীড়াপ্ৰেমীক আনন্দিত কৰি তুলিছে। আন্তৰ্জাতিক বক্সিঙত অসমৰ প্ৰতিভাশালী বক্সাৰজন যথেষ্ট অভিজ্ঞ। এটা দশকৰো অধিক কাল বিশ্বৰ আগশাৰীৰ বক্সাৰৰ লগত যুঁজাৰ অভিজ্ঞতাৰে পুষ্ট শিৱ থাপাই অলিম্পিকত সফলতা অৰ্জন কৰিব নোৱাৰিলেও বহুকেইটা আন্তৰ্জাতিক সফলতা লাভ কৰিছে। কৰ'নাই পিষ্টি কৰাৰ পৰিণতিত যোৱা বছৰ প্ৰায় আঠ মাহ সময় বিশ্ব ক্ৰীড়াক্ষেত্ৰ স্তব্ধ হৈ পৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত কৰ'নাৰ সৈতে সহাৱস্থান কৰাৰ গত্যন্তৰ নাই বুলি উপলব্ধি কৰিয়েই বিশ্ব ক্ৰীড়া সংস্থাসমূহে প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লৈছিল। কৰ'নাৰ প্ৰথমটো ঢৌৰ সময়ত শিৱ থাপাই কিন্তু ঘৰতে বহি থকা নাছিল। প্ৰতিদিনে কঠোৰ অনুশীলন চলোৱাৰ বাবেই বহুদিনৰ মূৰত সফলতা হাতৰ মুঠিলৈ আহিল।

ডুবাইত অলপতে অনুষ্ঠিত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত শিৱ থাপাই ৰূপৰ পদকতে ক্ষান্ত থাকিলেও অনন্য কৃতিত্বৰ অধিকাৰী হৈছে। কাৰণ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ইয়াৰ আগতে কোনো এগৰাকী ভাৰতীয় বক্সাৰে পাঁচটাকৈ পদক অৰ্জন কৰিব পৰা নাছিল। এছীয় প্ৰতিযোগিতাখনত পাঁচটা পদক অৰ্জন কৰা শিৱ থাপাই হৈছে প্ৰথম ভাৰতীয় বক্সাৰ। শিৱ থাপাই ইয়াৰ আগতে ২০১৩ চনত সোণৰ পদক অৰ্জন কৰাৰ পাছত ২০১৫ চনত ব্ৰঞ্জ, ২০১৭ চনত ৰূপ আৰু ২০১৯ চনত ব্ৰঞ্জৰ পদক হস্তগত কৰিছিল।

লক্ষ্যণীয় যে অসমত বক্সিঙৰ এটা সুস্থ পৰিৱেশ আছে। অৱশ্যে পুৰুষৰ তুলনাত মহিলা বক্সাৰে আন্তৰ্জাতিক পৰ্যায়ত ধাৰাবাহিক সফলতা অৰ্জনেৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। লাভলিনা বৰগোহাঁই, ভাগ্যৱতী কছাৰী, অংকুশিতা বড়ো আদি মহিলা বক্সাৰৰ ধাৰাবাহিক সুন্দৰ প্ৰদৰ্শনৰ বাবেই অসম ভাৰতীয় বক্সিঙৰ অন্যতম শক্তিশালী ৰাজ্যত পৰিণত হৈছে। টকিঅ'ত হ'বলগীয়া অলিম্পিকলৈ লাভলিনাই যোগ্যতা অৰ্জন কৰিছে। ডুবাইত অনুষ্ঠিত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত লাভলিনাই ছেমি ফাইনেলত পৰাজিত হৈ ব্ৰঞ্জৰ পদক দখল কৰিছে। ৰাজ্যখনত মহিলা বক্সাৰৰ সফলতাৰ হাৰ অধিক হোৱাৰ মাজতে শিৱ থাপাই অকলেই অসমৰ পুৰুষ বক্সিঙৰ সফলতাৰ ধ্বজা বহন কৰি আছে। এয়া ঠিক যে শিৱৰ সাফল্যত উদ্বুদ্ধ হৈয়ে বক্সিঙক কেৰিয়াৰ হিচাপে ল'বলৈ বহু উদীয়মান খেলুৱৈ আগবাঢ়ি আহিছে।

উল্লেখযোগ্য যে ডুবাইত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ ৬৪ কেজি শাখাৰ ফাইনেলত শিৱ থাপাই মংগোলিয়াৰ বাটাৰছুখ শ্বিনজৰিগৰ (Baatarsukh Shinzoring) বিৰুদ্ধে সমানে সমানে যুঁজ দিছিল। অৱশ্য শেষ ৰক্ষা নহ'ল। ২-৩ পইণ্টত পৰাজিত হৈ শিৱ থাপা ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়।

শিৱ থাপা যুঁজাৰু খেলুৱৈ। হাৰ নমনা মানসিকতাৰ অধিকাৰী শিৱই মাইক টাইছনক আদৰ্শ হিচাপে লৈয়ে বক্সিং ৰিঙত খোজ দিছিল। বক্সিঙৰ অনুশীলন আৰু পঢ়া দুয়োটা সমানে চলাই যাবলৈ তেওঁ পুৱা ৩ বজাতে বিছনা এৰিছিল। এনে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বাবেই আজি শিৱ থাপাই এজন বিশ্বমানৰ বক্সাৰৰূপে নিজকে গঢ়ি তুলিব পাৰিছে।



২০১৬ চনত অলিম্পিক গ'ল্ড কোৱেষ্ট অভিযানৰ অন্তৰ্ভুক্ত হোৱাৰ সময়ত শিৱ থাপা সম্বন্ধে অলিম্পিক গ'ল্ড কোৱেষ্টৰ চিফ অপাৰেটিং অফিছাৰ বিৰেন ৰাজকুইনহাই এইদৰে কৈছিল—"শিৱ অফুৰন্ত প্ৰতিভাশালী। শিৱই নিজৰ খেলত উন্নতি কৰিবই, কাৰণ সফলতাৰ বাবে তেওঁ ক্ষুধাতুৰ। ভৱিষ্যতে শিৱ দেশৰ তাৰকা বক্সাৰৰ অন্যতম হ'ব বুলি মই দৃঢ় বিশ্বাসী।" ৰাজকুইনহাই এনেদৰে আশা প্ৰকাশ কৰিলেও অৱশ্যে বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া মহোৎসৱ অলিম্পিকত শিৱৰ প্ৰদৰ্শন আশাব্যঞ্জক নহয়। অইন আন্তৰ্জাতিক প্ৰতিযোগিতাত সফলতা পালেও অলিম্পিকত শিৱ ব্যৰ্থ হৈছে। ২০১২ চনৰ লণ্ডন অলিম্পিকত সৰ্বকনিষ্ঠ ভাৰতীয় বক্সাৰ হিচাপে অৱতীৰ্ণ হোৱা শিৱ থাপাই সেইবাৰ ৫৬ কেজি শাখাৰ প্ৰথম ৰাউণ্ডতে পৰাজিত হৈছিল। ২০১৬ চনৰ ৰিঅ' অলিম্পিকতো অনুৰূপ প্ৰদৰ্শন আগবঢ়াই তেওঁ প্ৰথম ৰাউণ্ডতে অভিযান সামৰিছিল। গ্ৰীষ্মকালীন অলিম্পিকত ব্যৰ্থ হ'লেও কিন্তু ২০১০ চনৰ যুব অলিম্পিকত শিৱ থাপাই ৰূপৰ পদক জয় কৰিছিল। ইয়াৰ পূৰ্বে ২০০৯ চনত শিৱই হাইদৰ আলিয়েভ কাপত সোণৰ পদক জয় কৰাৰ লগতে সেই বছৰে আৰ্মেনিয়াত অনুষ্ঠিত বিশ্ব জুনিয়ৰ বক্সিং চেম্পিয়নশ্বিপৰ ৫২ কেজি শাখাত ব্ৰঞ্জৰ পদক দখল কৰিছিল। বিশ্ব জুনিয়ৰ বক্সিং চেম্পিয়নশ্বিপত সেইবাৰ ভাৰতৰ পৰা সাতজন বক্সাৰে প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু একমাত্ৰ পদকটো শিৱই জয় কৰিছিল। ২০১৩ চনত জৰ্ডানৰ আম্মানত অনুষ্ঠিত এছিয়ান কনফেডাৰেশ্যন বক্সিং চেম্পিয়নশ্বিপতো শিৱই সৰ্বকনিষ্ঠ ভাৰতীয় বক্সাৰ হিচাপে সোণৰ পদক জয় কৰিছিল।

## চেম্পিয়নছ লীগত ছেলছিৰ খিতাপ

ইংলিছ প্ৰিমিয়াৰ লীগৰ চেলছিয়ে দ্বিতীয়বাৰৰ বাবে চেম্পিয়নছ লীগৰ খিতাপ অৰ্জন কৰিলে। যোৱা ২৯ মে'ত অনুষ্ঠিত ফাইনেলত চেলছিয়ে ইংলিছ প্ৰিমিয়াৰ লীগৰে ক্লাব মানচেষ্টাৰ ছিটিক ১-০ গ'লত পৰাজিত কৰিছিল। ইয়াৰ আগতে চেলছি ২০১২ চনত চেম্পিয়নছ লীগত চেম্পিয়ন হৈছিল।

উল্লেখযোগ্য যে প্ৰথম সংস্কৰণৰ ইউৰোপিয়ান কাপ ১৯৫৫-৫৬ ছিজনত আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত উৱেফা চেম্পিয়নছ লীগ হিচাপে পৰিচিত প্ৰতিযোগিতাখনত ৰিয়েল মাড্ৰিড হৈছে সবাতোকৈ সফল ক্লাব। স্পেইনৰ লা লিগাৰ ক্লাব ৰিয়েল মাড্ৰিডে এই পৰ্যন্ত ১৩টা খিতাপ জয় কৰিছে। আনহাতে এছি মিলানে ৭ বাৰ, বেয়াৰ্ন মিউনিক আৰু লিভাৰপুলে ছবাৰকৈ, বাৰ্চিলোনাই পাঁচবাৰ চেম্পিয়ন হৈছে।

**দিগন্ত চহৰীয়া**
ফোন ঃ ৮৭৫৩৯৮২৪৮৯